# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

*India's National Spiritual Newspaper*

₹ 10/-

REACHING NATIONS

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIII | MAY 2023 | No. 11


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক !

**গীতমালা ৩২ ঃ ১-৮**

১। ধন্য সেই লোক, যি লোকৰ অপৰাধ ক্ষমা কৰা হয়; যিলোকৰ পাপ ঢকা হয়।

২। ধন্য সেই ব্যক্তি, যি ব্যক্তিৰ অপৰাধ যিহোৱাই গণনা নকৰে, আৰু যি ব্যক্তিৰ মনত কোনো ছলনা নাই।

৩। মই যেতিয়া পাপ স্বীকাৰ নকৰি মনে মনে আছিলোঁ, তেতিয়া ওৰে দিনটো কেঁকাই থকাত মোৰ অস্থিবোৰ ক্ষয় পাইছিল।

৪। কিয়নো তেতিয়া দিনে-ৰাতিয়ে মোৰ ওপৰত তোমাৰ হাত গধুৰ হৈ আছিল, মোৰ গাৰ শক্তি জহকালৰ তাপত যেনেকৈ হয়, তেনেকৈয়ে শুকাই গৈছিল (চেলা)

৫। তেতিয়া মই তোমাৰ আগত মোৰ পাপ সৈ কাঢ়িলোঁ; মোৰ অপৰাধ মই আৰু লুকুৱাই নাৰাখিলোঁ; মই ক'লো, "যিহোৱাৰ আগত মই মোৰ অপৰাধ সৈ কাঢ়িম"; তাতে মোৰ পাপৰ দোষ তুমি ক্ষমা কৰিলা। (চেলা)

৬। সেইবাবে প্ৰয়োজনৰ সময়ত প্ৰতিজন বিশ্বাসীয়ে তোমাৰ আগত প্ৰাৰ্থনা কৰক; বিপদ মহা-জলপ্লাৱনৰ দৰে আহিলেও সেইজনৰ ওচৰ নাপাব।

৭। তুমি মোৰ গুপ্তস্থান; তুমি মোক সঙ্কটৰ পৰা উদ্ধাৰ কৰোঁতা; মুক্তিৰ জয়ধ্বনিৰে তুমি মোক আৱৰি ৰাখোঁতা। (চেলা)

৮। মই তোমাক বুদ্ধি দিম; তুমি যাবলগীয়া পথ মই তোমাক শিকাম; তোমাৰ ওপৰত মই দৃষ্টি ৰাখি পৰামৰ্শ দিম।

# ৰাতিপুৱা বেলাত বিৰতিৰ সময়ত

## AT THE BREAK OF DAWN!

ভনী এঞ্জেলীনা ছেলভা কুমাৰী



আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ নামত শুভেচ্ছা জনালো। তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনীৰ মাধ্যমেৰে আপোনালোকক লগ পায় অতি আনন্দিত হৈছো। তেওঁৰ বিশ্বাসত যিজনে আমাক এই পৰ্যন্ত চলাই লৈ আহিছে আৰু একেৰাহে আমাক চলাই লৈ যাব।

**ঈশ্বৰ সেই নগৰৰ মাজত থাকে; সেয়ে তাই বিচলিত নহ'ব। অতি পুৱাতেই ঈশ্বৰে তাইক সহায় কৰিব। গীতমালা ৪৬ঃ৫**

এইটো এটা সুন্দৰ প্ৰতিশ্ৰুতি। যিহওক, যি পৰিস্থিতিত এই প্ৰতিশ্ৰুতি দিয়া হৈছিল, এইটো উল্লেখযোগ্য। গীতমালা ৪৬ঃ২। ইয়াত কয়,

১। পৃথিৱীৰ পৰিৱৰ্তন হ'ল

২। পৰ্বতবোৰে আলোড়ন কৰি কঁপি উঠি সাগৰৰ বুকুত পৰিল

৩। জলসমূহে তৰ্জন-গৰ্জন কৰিলে

৪। পৰ্বতবোৰ কঁপি উঠিল

*৩ পৃষ্ঠাত চাওঁক*


ইখ অফ হীজ কল

৫ মিনিট বাৰ্তা



ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে

প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

**ইংৰাজী, হিন্দী, তামিল আৰু তেলেগু**

প্ৰত্যেক দিনে পুৱা ৫ বজাত

**তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত**

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)




## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...

REACHING NATIONS



“... যিজনে যিহোৱাত নিৰ্ভৰ কৰে, যিহোৱাৰ অসীম দয়াই তেওঁক আৱৰি ৰাখে” - গীতমালা ৩২ ঃ১০

### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**CHIEF EDITOR**
Angeline Selvakumari Henry, M.A., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div

**ADMINISTRATION**
Bro. N. Prakasam, M.A., General Manager

**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
Dr. A. Richard Samuel, M.A., Ph.D.
Rev. Dr. K.R. Rajasekaran



**EDITOR, PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858



**CORE LEADERS**
Bro. K. Puratchivendan
Dr. Rabinder Boaz, M.S.
Bro. A. Edward Durai
Bro. A. Alvin
Bro. K. Abraham
Sis. Dhanalakshmi Chinnaiah



**E.mail ID**
sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**
www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**
Echo of His Call


প্ৰিয় ভাই আৰু ভনীসকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ সাধুৰ নামত শুভেচ্ছা জনাইছো।

আমাৰ পৰিচৰ্য্যাৰ সকলো বিভাগত প্ৰভু যীচুখ্ৰীষ্টই সহায় কৰি আছে। মে’ মাহত সকলো শিক্ষা প্ৰতিষ্ঠানসমূহ গ্ৰীষ্মকালীন ছুটিৰ বাবে বন্ধ থাকিব। গতিকে এই দিনবিলাকত স্থানীয় মণ্ডলীসমূহৰ সৈতে লগ লাগি ঈশ্বৰৰ ৰাজ্য বিস্তাৰ কৰিবলৈ প্ৰচাৰ কাৰ্য্যৰ বাবে ব্যৱহাৰ কৰোহঁক।

যেতিয়া আমি জগতখনলৈ চাওঁ আমি দেখো যে ডেকা ল’ৰা-ছোৱালীবিলাকে, গীৰ্জা উপাসনাৰ পৰা বিৰত থাকি ঈশ্বৰৰ পৰা দূৰলৈ গৈ আছে। এইদৰে গোটেই পৃথিৱীত ঘটি আছে। এই বিষয়ত পিতৃ-মাতৃ আৰু প্ৰশাসকসকল অতি চেষ্টা কৰিব পৰা নাই।

গতিকে, এই সুযোগ গ্ৰহণ কৰি, জাগতিক লোকবিলাকে, ৰাজনৈতিক লোকবিলাকে আৰু দুৰ্বল বাক্য প্ৰচাৰ কৰা তথাকথিত ঈশ্বৰৰ দাসসকলে যুৱকবিলাকক ধৰি প্ৰশিক্ষণ দিয়ে আৰু জাগতিক পথবিলাকত তেওঁবিলাকক প্ৰস্তুত কৰে। মণ্ডলীসমূহত ল’ৰা-ছোৱালীবিলাকৰ উপস্থিতিৰ সংখ্যাৰ হ্ৰাস পাইছে। এইটো বহুত দুখৰ বিষয়। যদিও পৰিয়ালৰ জ্যেষ্ঠ সদস্যসকলে তেওঁলোকক ঈশ্বৰৰ স্বৰ্গীয় ছাঁৰ অধীনত ৰাখিবলৈ চেষ্টা কৰে, তেওঁলোকে ঈশ্বৰৰ পথবোৰক অৱজ্ঞা কৰি কাৰ্য্যবোৰ কৰিব বিচাৰে।

গতিকে, এতিয়াই উপযুক্ত সময় যে, খ্ৰীষ্টিয়ান পিতৃ আৰু মাতৃ আৰু চলাওঁতাসকলে অধিক প্ৰাৰ্থনা কৰিব লাগে আৰু গোটেই পৃথিৱীৰ শিশু আৰু যুৱক-যুৱতীৰ মাজত জাগৰণ পঠাবলৈ ঈশ্বৰক হেঁচা দিব লাগে। আমাৰ দৰে একে দৰ্শন লৈ থকা ঈশ্বৰৰ লোক সকলৰ এটা সৰু দল আমি গঠন কৰিছো আৰু তেওঁলোকে তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰি দিছে। আপোনালোকে শিশু আৰু যুৱক-যুৱতীসকলৰ নামসমূহ আমালৈ পঠিয়াই আমাক সহায় কৰিব পাৰে, যাতে আমি তেওঁলোকক অনুগ্ৰহৰ সিংহাসনৰ আগত তুলিব পাৰিম। ইয়াৰ আপোনালোকে কোনো টকা বা ধন পঠোৱাৰ প্ৰয়োজন নাই। পৰিৱৰ্তে আপোনালোকে আমাৰ সৈতে একমত হৈ প্ৰাৰ্থনা কৰক আৰু গ্লবেল ভিশ্বন ফৰ ইয়েথ এণ্ড কিড্চ কেয়াৰৰ বাবে প্ৰাৰ্থনা কৰক। এই বিষয়ত আপোনাৰ মতামতক আমি আদৰণী জনাইছো।

সকলো দেশসমূহৰ শিশু আৰু যুৱক-যুৱতীসকলৰ বাবে প্ৰাৰ্থনা কৰিবলৈ প্ৰতিদিনে নিশা ১০ঃ০০ বজাত আৰম্ভ কৰিবলৈ আমি ঠিক কৰিছো। আপুনিও আপোনাৰ দেশৰ সময়মতে ১০ঃ০০ বজাত প্ৰাৰ্থনা কৰিব পাৰে।

আমি জানো যে যেতিয়া ঈশ্বৰৰ লোকসকলে এটা বিশেষ বিষয়ৰ বাবে একমত হৈ গোট খায়, স্বৰ্গীয় পিতৃয়ে তাৰ উত্তৰ দিব। যেতিয়া আপুনি তেনে শিশু আৰু যুৱক-যুৱতীৰ সাক্ষ্য শুনে, অনুগ্ৰহ কৰি সেই সাক্ষ্যবিলাকক আমালৈ পঠাওক। আমি উপযুক্ত সাক্ষ্যবোৰক প্ৰকাশিত কৰিম।

আমি আপোনাৰ বাবে প্ৰাৰ্থনা কৰি আছো। আমি যিকোনো পধ্যে পৃথিৱীৰ সকলো দেশসমূহত মহিমামণ্ডিত শুভবাৰ্তাক প্ৰচাৰ কৰিবলৈ সম্পূৰ্ণ হৃদয়েৰে চেষ্টা কৰি আছো। অনুগ্ৰহ কৰি প্ৰাৰ্থনাত আমাৰ সৈতে হাত মিলাওক। ঈশ্বৰে আপোনালোকক আশীৰ্বাদ কৰক।

**খ্ৰীষ্ট্ৰ যীচুত আপোনালোকৰ সেৱক,**

পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।

(+91) 98412 71858 / 98410 71858, E.mail : samselvaraj333@gmail.com

**Our Ministries:** ☼ ECHO OF HIS CALL Monthly Magazines (16 languages) ☼ BIBLECOR - Postal Courses (3 languages) ☼ Media Ministry ☼ Online Courses ☼ Theological Correspondence Courses (2 languages) ☼ Church Planting ☼ Nehemiah Bible Colleges ☼ Gospel Printing Press ☼ Great Commission Partners ☼ St. Paul’s Matriculation School ☼ Crusades ☼ Community Development

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

এইদৰে যেতিয়া সকলোবোৰে আলোড়ন কৰিছিল, তৰ্জন-গৰ্জন কৰিছিল আৰু কঁপি উঠিছিল বাইবেলে কয় যে সেই সকলোবোৰৰ মাজত ঈশ্বৰ আছিল। আনকি যেতিয়া আমাৰ চাৰিওফালে থকা সকলো বস্তুবোৰ লৰচৰ কৰিলেও, আমি লৰচৰ নহয়। আমাৰ সকলো লৰচৰ, কপা আৰু ধুমুহাৰ মাজত ঈশ্বৰ আছে। পুৱাৰ বিৰতিত তেওঁ আমাক সহায় কৰিব। কিয়নো ঈশ্বৰ ভাল হয়! তেওঁ যিহকে কৰে ভালৰ অৰ্থে কৰে। তেওঁ অসম্ভৱতাৰ ঈশ্বৰ হয়।

যি যি বস্তুবোৰ সৈতে আপুনি সংগ্ৰাম কৰি আছে, যুঁজি আছে, প্ৰাৰ্থনাৰ উত্তৰবোৰ এতিয়াও পাবলৈ আছে, কিছুমান বস্তুবোৰে এতিয়াও আপোনাক বান্ধোনত ৰাখিছে, আৰু পৰিস্থিতিবোৰে যিদৰে আপোনাক সীমিত কৰি ৰাখিছে, এই সকলো বাধাবোৰ প্ৰভু যীচুৰ নামত ভাঙি যাব। তেওঁ আমাক পুৱাবেলাৰ বিৰতিত সহায় কৰিব।

গীতমালা ৪৬ঃ৫

## ১। অতি ৰাতিপুৱাৰ বিৰতিৰ তাৎপৰ্যটো কি ?

### ১। পুৱাৰ বিৰতিৰ সময়তো এটা নতুন ঋতুৰ আৰম্ভণি!

যিহুদী কেলেণ্ডাৰৰ মতে, ৯ টা বজাৰ পৰা বা ১০ টা বজাৰ পৰা আন্ধাৰ আৰম্ভ হয়। এইটো ১২ বজাৰ পৰা পুৱা ৩ বজাৰ ভিতৰত বুজায়। অন্ধকাৰক ভাঙি পোহৰত সোমায় যায়। একেবাৰে এটি নতুন দিন আৰু এটি নতুন ঋতুৰ মুকলি হয়। আমি কিয় ধুমুহা, কম্পন আৰু অশান্তিৰ ঋতুৰ মাজেদি যাবলগীয়া হয়?

### ২। ৰাতিপুৱা বিৰতিৰ সময়টো এটা পৰিৱৰ্তনৰ ঋতু হয়!

ৰাতি আৰু দিনৰ মাজত ৰাতিপুৱাৰ বিৰতি বেলাটো পৰিৱৰ্তনৰ এটা সময় হয়। ইয়াত এটা ঋতুৰ পৰা আনটো ঋতুলৈ গুচি যোৱা হয়, এটা সময়ৰ পৰা আনটোলৈকে ৰূপান্তৰ নিজেই অনিশ্চয়তাৰ সময়কাল, য'ত এজনে পৰৱৰ্তী পদক্ষেপ লোৱাত অনিশ্চিত হয়। এজনে এইভাৱে বা আনটো পথত যোৱা উচিত? এইটো এটা বিশৃংখল আৰু বিভ্ৰান্তিৰ সময়। এজনে এটা সিদ্ধান্ত ল'বলৈ সংগ্ৰাম কৰি আছে। কি ঘটিব আৰু কি ঘটিবলৈ গৈ আছে- ভয়ৰ এটি সময়ৰ প্ৰতীক স্বৰূপো হয়। আপুনি জানেনে মই কি ক'ব বিচাৰোঁ যে, এই জগতে আৰু চয়তানে আপোনাক এই পৰিৱৰ্তনৰ কালক এটা বিশৃঙ্খলৰ সময়, বিভ্ৰান্তি, সংঘৰ্ষ আৰু অনিশ্চয়তাৰ কালৰ দৰে দেখুৱাব বিচাৰে। যি কি নহওক, ঈশ্বৰে আমাক এই কালছোৱাক এটা বিৰতিৰ কালৰ দৰে চোৱাটো বিচাৰে। বিৰাট সাফল্য অৰ্জন শব্দটোলৈ চাওক ... এইটো কিবা এটা শ্বাসৰুদ্ধকৰ হয়। ঈশ্বৰে এই ঋতুক এটা বিৰাট সাফল্য-অৰ্জনৰ ঋতুৰ দৰে দেখি আছে য'ত আপুনি বিৰতি পাব আৰু সাফল্য হ'ব।

এটা মণ্ডলীৰ দৰে, এটা পৰিয়ালৰ দৰে আৰু ব্যক্তিৰ দৰে, যেতিয়া আমি পৰৱৰ্তী স্তৰলৈ যাওঁ, আমি ইয়াত এটা বৃদ্ধিৰ নতুন ঋতু, পৰিপক্ক, এটা সাফল্য অৰ্জনৰ দৰে পাওঁ। অন্ধকাৰক ভঙাটো ৰাতিপুৱাৰ বিৰতি হয়।

### ৩। ৰাতিপুৱাৰ বিৰতি আত্মিক যুদ্ধৰ এটি ঋতু।

অগ্ৰগতি সহজ নহয়। ইয়াত এটাক ভাঙি ওলাই অহা হয়। এইটো এটা যুদ্ধ, এইটো এটা সংগ্ৰাম! আপুনি অন্ধকাৰক ভাঙিব লাগিব। প্ৰয়াস নকৰাকৈ পোহৰ আনিব নোৱাৰে। ঈশ্বৰে ভঙাৰ এটি ঋতুলৈ আমাক মাতি আছে। তেওঁ আমাৰ সন্তানসকলৰ বাবে আমাৰ পৰিয়ালৰ বাবে, আমাৰ মণ্ডলীৰ বাবে আমাৰ নগৰৰ বাবে আমাৰ দেশৰ বাবে আৰু জগতৰ বাবে কৃতকাৰ্য্য আনিবলৈ

## যুৱক-যুৱতীসকলৰ বাবে বিশ্বব্যাপী দৃষ্টিভঙ্গী আৰু শিশুসকলৰ বাবে যত্ন

### GLOBAL VISION FOR YOUTH & KID CARE

তৰুণ প্ৰজন্মৰ কল্যাণৰ বাবে ঈশ্বৰে আমাক এটা বিশেষ বোজা দিছে আৰু লগতে সকলো দেশসমূহৰ এই প্ৰজন্মৰ শিশু আৰু যুৱক-যুৱতীসকলৰ বাবে প্ৰাৰ্থনা কৰাৰ দ্বাৰাই শিক্ষা দিয়াৰ দ্বাৰাই আৰু ঈশ্বৰৰ ৰাজ্যৰ বাবে তেওঁলোকক সজ্জিত কৰাই বিশেষ মনোযোগ দিবলৈ দিছে।

বিশ্বব্যাপী ঈশ্বৰৰ লোকসকলৰ যিসকলক একেধৰণেৰে আমি গঠন কৰিছো আৰু একেলগ হৈ নিশা ১০ঃ০০ টা বজাত (আপোনাৰ দেশৰ স্থানীয় মান সময়) প্ৰাৰ্থনা কৰিবলৈ আৰম্ভ কৰি দিছো। আপোনাকো আমাৰ লগত যোগদান কৰিবলৈ আদৰণী জনাইছো। আমি আপোনাক উত্তৰ দিম।



আৰু যদি আপোনাৰ সন্তান আৰু নাতি-নাতিনী সকলৰ আত্মিক কল্যাণৰ বিষয়ে আপুনি উদ্বেগ হৈছে, তেন্তে তেওঁলোকৰ বয়সৰ সৈতে নামবোৰ (শিশু আৰু যুৱক-যুৱতী) পঠাওক আৰু তেওঁলোকৰ বাবে কিবা প্ৰয়োজন থাকিলে পঠাওক। যদি, আপুনি ৩৫ বছৰ বয়সৰ তলত আছে, তেন্তে আপুনি অবিলম্বে আপোনাৰ নামভৰ্তি কৰিব পাৰে। অনুগ্ৰহ ইয়াৰ বাবে কোনো টকা বা ধন নপঠিয়াব।

**আমাৰ যোগাযোগ সবিশেষঃ**

**GLOBAL VISION FOR YOUTH & KID CARE**
**Echo of His Call**
Mobile & WhatsApp No : +91- 98412 71858 &
+91- 98410 71858
E.mail ID : sam@echoofhiscall.org

আমাক স্থাপন কৰিছো। আমেন! এইটো এটা আত্মিক বিৰতিৰ সময়!!!

আমি অন্ধকাৰ আৰু অসম্ভৱ বস্তুবোৰ চাব পাম, সেইবোৰে আমাক অন্ত হোৱাক নুবুজায়, কিন্তু আমাৰ অগ্ৰগতিক বুজায়। এলিয়াই শাৰীৰিকভাৱে, মানসিকভাৱে, আত্মিকভাৱে আৰু আৱেগিকভাৱে ক্লান্ত হৈ বহি আছিল। তেওঁৰ বাবে জীয়াই থকাটো অসম্ভৱ আছিল। বাল ভাববাদীৰ বিৰুদ্ধে এলিয়াই জাগৰণৰ পাছত এক বীৰ যুদ্ধাৰু হৈ সকলো নিয়ন্ত্ৰণ কৰাৰ পাছতো, এলিয়াই শুনিলে যে তেওঁক বধ কৰা হ'ব। তেওঁৰ মৃত্যুৰ কথা শুনি তেওঁ ভয় খালে আৰু তেওঁ উচিত চিন্তা কৰিব নোৱাৰিলে। তেওঁ ক'লে, ..."এয়ে যথেষ্ট হে যিহোৱা, মোৰ প্ৰাণ লোৱা, কিয়নো মই নিজ পূৰ্বপুৰুষসকলতকৈ উত্তম নহওঁ।" ১ ৰাজৱলী। তেওঁ অনুভৱ কৰিলে সকলো শেষ হৈ গ'ল আৰু সকলো ফালে কেৱল আন্ধাৰ হৈ আছে, তেওঁ সামান্য উপলব্ধি কৰিলে যে তেওঁ পৰিৱৰ্তনৰ সময়ত আছে। মাজত তেওঁ আন্ধাৰ হৈ আছিল, পুৱাবেলা নহয়। ঈশ্বৰে তেওঁক আন্ধাৰত ভাঙিবলৈ ৰাখিছিল। এই বৰ্ষত ঈশ্বৰে আমাক ক্ৰান্তিকালত অৱস্থান যাতে আমি বিৰতি হ'ব পাৰো-অন্ধকাৰক ভাঙি পোহৰক আনক। আমেন কৰাইছে!!!"

"কোনো এজনে তেওঁলোকৰ বাবে বাট ভাঙি উলিয়াবলৈ তেওঁলোকৰ আগে আগে যাব..." মীখা ২ঃ১৩। আমেন। ঈশ্বৰে আন্ধাৰক ভাঙি বলৈ আমাৰ আগে আগে যাব, আৰু পোহৰলৈ যাবলৈ আমাক চলাব।... তেওঁলোকে দুৱাৰ ভাঙিব; আৰু দুৱাৰৰ মাজেৰে বাহিৰ ওলাই যাব... মীখা ২ঃ১৩। আমেন।

যদি যিকোনো বস্তুৱে আপোনাক ধৰি ৰাখিছে, আপোনাক আন্ধাৰত ৰাখিছে, আপোনাক চুৰমাৰ কৰিছে, আপোনাক সীমিত কৰিছে ঈশ্বৰে যীচুৰ নামত আপোনাক উলিয়াই আনিব। "আপুনি ইয়াৰ পৰা ওলাই আহিব" কিয়নো তেওঁ আপোনাৰ আগে আগে গৈ আছে। প্ৰভুক প্ৰধান কৰাৰ আগেয়েই ৰজা পাৰ হৈ যাব। সেই প্ৰতাপী ৰজা কোন? (গীতমালা ২৪ঃ৭-৯)। এটি বিখ্যাত গীত আছে য'ত এইদৰে কয়, ("মই জানো মোৰ আগে আগে কোন যায়? মই জানো মোৰ পাছে পাছে কোন যায়। স্বৰ্গদূতৰ বাহিনীৰ ঈশ্বৰ মোৰ লগত আছে... মোৰ বিৰুদ্ধে গঠিত হোৱা যিকোনো বস্তু থিয় নাথাকিব...")

১। মই ভয় নকৰো কিয়নো ঈশ্বৰ মোৰ লগত থাকে।

যিদৰে মই আগত উল্লেখ কৰিছিলো যে সাফল্য অৰ্জন কৰা মানে অন্ধকাৰক ভাঙি পোহৰলৈ প্ৰৱেশ কৰিব পৰা।

## ২। অগ্ৰগতি কিহৰ পৰা?

অন্ধকাৰ - অন্ধকাৰৰ প্ৰতীক কি?

### ক) মন্দ আধিপত্য ঃ

যিকোনো অন্ধকাৰেই হওঁক সেইটোৱেই নাৰকীয়। ই এক মন্দতাৰ প্ৰতীক। ইয়াক আন্ধাৰৰ ৰজাও বোলা হয়। অন্ধকাৰ এটি আধিপত্য। কলচীয়া ১ঃ১৩ পদে কয়, তেৱেঁই আমাক আন্ধাৰৰ পৰাক্ৰমৰ পৰা উদ্ধাৰ কৰি নিজ প্ৰেমৰ পুত্ৰৰ ৰাজ্যত স্থানান্তৰ কৰি থ'লে। আধিপত্য মানে শাসন কৰা। আমাৰ কিছুমানে এইদৰে ভাৱে যে আমাৰ জীৱনত কোনোবা এজন আছে যিজনে শেষ বাক্য হিচাবে আজ্ঞা দিছে বা শেষ বুটামটো টিপি দিছে আৰু আমি ইয়াক নহয় বুলি উত্তৰ দিছো। ৰাতিপুৱাৰ বিৰতি মানে অন্ধকাৰৰ আধিপত্যক ভাঙি দিয়া।

অন্ধকাৰ মানে ইয়াকো বুজায় যে যিকোনো বস্তু পাপময় হ'লে; এয়ে আমাক শাসন কৰে, আমাক হেঁচা দিয়ে আৰু আমাৰ ওপৰত শোষণ কৰে। হ'ব পাৰে কিবা এটা অভ্যাসে আপোনাক ধৰি ৰাখিছে আৰু আপুনি তাৰ পৰা ওলাই আহিব বিচাৰে কিন্তু চেষ্টাত লাগি আছে। আপুনি জানেনে কিছুমান তথাকথিত পৰিপক্ক আছে। আপুনি জানেনে কিছুমান তথাকথিত পৰিপক্ক খ্ৰীষ্টিয়ান লোকসকলেও তেওঁলোকক ধৰি ৰখা পাপৰ পৰা ওলাবলৈ চেষ্টা কৰি আছে। আধুনিক প্ৰযুক্তিবিদ্যাৰ সৈতে প্ৰত্যেকেই তেওঁলোকৰ হাতত ইণ্টাৰনেট প্ৰৱেশ কৰাৰ সুবিধা আছে। কি বস্তু অনুমান কৰক? এই বস্তুৱে পাপলৈ কেইবাটাও পথ মেলি দিছে, যাক আমি কল্পনাও কৰিব নোৱাৰো। চচিয়েল মিডিয়া, টিকটক, ইউ-টিউবৰ ট্ৰেইলাৰবিলাক, যিকোনো বয়সৰ লোকে অশ্লীল ছবি চোৱা ইত্যাদি। এইয়ে বহুত দুখজনক বিষয় যে আনকি শিশুবিলাকেও হাতত মোবাইল থকা বাবে অশ্লীল ছবি চাব পাৰে।

আন্ধাৰৰ ৰজাই আমাৰ সময়, আমাৰ চিন্তা আৰু আমাৰ আৱেগবিলাকৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰি আছে। তেওঁলোকে নাজানে যে এইবিলাকে আমাৰ শান্তি, আমাৰ পৰিয়ালৰ

*৬ পৃষ্ঠাত চাওঁক*

নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়
চেপাক আৰু সন্তোষাপুৰম, চেন্নাই
মাধ্যম ঃ তামিল
যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA লৈ
প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া
ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া
অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
নামভৰ্তিৰ বাবে সোনকাল কৰক!
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**প্ৰাৰ্থনা আৰু প্ৰশংসাৰ বিষয়সমূহ ঃ ২০২৩ চনৰ ১৯ মে পৰা ২০২৩ চনৰ ১৮ জুন**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

মে ১৯ ঃ আমাৰ ছাপাশাল আৰু মিশ্বন ফিল্ডলৈ পঠোৱা ১৬ টা ভাষাত ইয়াৰ পাব্লিকেশ্বনত আশীৰ্বাদৰ বাবে।

মে ২০ ঃ আমাৰ পৰিচৰ্য্যামূলক যাত্ৰাত আশীৰ্বাদৰ বাবে।

মে ২১ ঃ আমাৰ কেন্দ্ৰ মণ্ডলী আৰু শাখা মণ্ডলীবিলাকৰ বিশ্বাসীসকলৰ ওপৰত আশীৰ্বাদৰ বাবে।

মে ২২ ঃ আমাৰ জ্যেষ্ঠ পালক এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালক সকলো মন্দ শক্তিৰ পৰা ৰক্ষা কৰাৰ বাবে।

মে ২৩ ঃ আমাৰ বিব্লেকৰ (বাইবেল যোগাযোগ পাঠ্যক্ৰম) আৰু থিয়'ল'জীকেল যোগাযোগ পাঠ্যক্ৰমৰ ওপৰত আশীৰ্বাদ কৰাৰ বাবে।

মে ২৪ ঃ আমাৰ চেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলত এজন নতুন অধ্যক্ষক যোগোৱাৰ বাবে।

মে ২৫ ঃ আমাৰ কেন্দ্ৰ মণ্ডলীত আৰু শাখা মণ্ডলীত দেওবৰীয়া উপাসনাৰ বাবে।

মে ২৬ ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ বাবে নতুন কৰ্মী যোগোৱাই আশীৰ্বাদ কৰাৰ বাবে।

মে ২৭ ঃ বিশৃংখলতা আৰু যুদ্ধৰ ভয় সৃষ্টি হোৱা দেশসমূহত স্বৰ্গীয় নিৰাপত্তাৰ বাবে।

মে ২৮ ঃ আমাৰ কৰ্মীসকলৰ পৰিয়ালবৰ্গৰ ওপৰত তেওঁৰ আশীৰ্বাদ বৰষোৱাৰ বাবে।

মে ২৯ ঃ ৰাজনৈতিক আৰু ধৰ্মীয় বিৰোধৰ মাজতো আমাৰ খ্ৰীষ্টিয়ান পৰিচৰ্য্যাসমূহৰ সমৃদ্ধৰ বাবে।

মে ৩০ ঃ মিশ্বন কৰ্মীসকলৰ পৰা মহান অঙ্গীকাৰৰ বাবে।

মে ৩১ ঃ সমাজৰ সকলো ক্ষেত্ৰত মহিলাসকলক উন্নত কৰাৰ বাবে।

জুন ০১ ঃ আমাৰ বাসগৃহ আৰু সন্ধ্যা নহিমিয়া বাইবেল কলেজত নতুন ছাত্ৰ-ছাত্ৰীক দিয়াৰ বাবে।

জুন ০২ ঃ আমাৰ শুভবাৰ্তা ছপাশাল আৰু ইয়াৰ ক্ৰিয়াকলাপবিলাক দক্ষ কৰ্মীসকলৰ দ্বাৰাই চলি থকাৰ বাবে।

জুন ০৩ ঃ আমাৰ ৫ মিনিট ইউ টিউব বাৰ্তাত চাবচক্ৰাইবাৰ আৰু সাক্ষ্যদানসকলৰ সংখ্যা বৃদ্ধি হোৱাৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

জুন ০৪ ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰ, চাবচক্ৰাইব অংশীদাৰ; বিশ্বাস অংশীদাৰ, জীৱন অংশীদাৰ, মহান আজ্ঞা অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ ওপৰত তেওঁৰ দয়াৰ বাবে।

জুন ০৫ ঃ আমাৰ কৰ্মীসকলৰ আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ সুখৰ বাবে।

জুন ০৬ ঃ সকলো দেশবিলাকে একতা আৰু সকলো দিশত সমৃদ্ধি আৰু আঁচনিৰ বাবে।

জুন ০৭ ঃ খ্ৰীষ্টিয়ান অনুস্থানবিলাকত আশীৰ্বাদ আৰু নিৰাপত্তাৰ বাবে।

জুন ০৮ ঃ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা বিলোৱাৰ বাবে।

জুন ০৯ ঃ এই পৃথিৱীত ঈশ্বৰৰ ৰাজ্য স্থাপন কৰিবলৈ আমাক আৰু অধিক দৰ্শন দিবলৈ।

জুন ১০ ঃ ভাইৰেল জ্বৰ আৰু নতুন সংক্ৰামক ৰোগৰ বিৰুদ্ধে নিৰাপত্তাৰ বাবে।

জুন ১১ ঃ পৃথিৱীৰ যুৱক-যুৱতী আৰু শিশুবিলাকে প্ৰভু যীচুখ্ৰীষ্টক তেওঁলোকৰ ব্যক্তিগত ত্ৰাণকৰ্তাৰ ৰূপত গ্ৰহণ কৰিবলৈ।

জুন ১২ ঃ আমাৰ জ্যেষ্ঠ পালক এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সুস্বাস্থ্য আৰু নিৰাপত্তা দিবলৈ।

জুন ১৩ ঃ সমস্ত সম্ভৱ উপায় আৰু ব্যৱস্থাত আমাৰ পৰিচৰ্য্যাসমূহৰ বিস্তাৰৰ বাবে।

জুন ১৪ ঃ ২০২৩-২৪ ৰ শিক্ষাবৰ্ষত বাসগৃহ আৰু সন্ধ্যা নহিমিয়া বাইবেল কলেজত উপযুক্ত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ বাবে।

জুন ১৫ ঃ পৃথিৱীৰ সকলো ৰাষ্ট্ৰপতি, প্ৰধান মন্ত্ৰী আৰু চৰকাৰী বিষয়াসকলৰ বাবে।

জুন ১৬ ঃ আমাৰ ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ ২০২৩-২৪ শিক্ষাবৰ্ষৰ বাবে নতুন ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ বাবে।

জুন ১৭ ঃ আমাৰ সমৰ্থক, শুভাকাংক্ষী আৰু বন্ধুসকল এই যিসকলে প্ৰাৰ্থনাৰ মাধ্যমেৰে আমাৰ পৰিচৰ্য্যাসমূহ আৰু আৰ্থিক দিশত আমাক সহায় কৰি আছে।

জুন ১৮ ঃ আমাৰ সহ-সম্পাদকসকল আৰু তেওঁবিলাকৰ পৰিয়ালবৰ্গসকলৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

সম্পৰ্ক, ঈশ্বৰৰ সৈতে থকা আমাৰ সম্পৰ্ক তাৰোপৰি আমাৰ হৃদয়, মন আৰু আত্মাক দূষিত কৰে। তাতোতকৈও গুৰুত্ব কথাটো হ'ল যে পৰৱৰ্তী বংশলৈ প্ৰভাৱ পেলাই আছে। আমাৰ প্ৰতিটো অভ্যাসেই শিশুবিলাকৰ ওপৰত প্ৰভাৱ পেলাই।

ঈশ্বৰে আমাৰ জীৱনৰ ওপৰত, আমাৰ পৰিয়াল, আমাৰ মণ্ডলী, আমাৰ পৰিচৰ্য্যা বা ঈশ্বৰৰ সৈতে আমি চলি যোৱা এই সকলোৰে ওপৰত শাসন কৰা বস্তুবোৰৰ পৰা ৰক্ষা কৰিবলৈ সহায় কৰক।

## খ) উপেক্ষা কৰা ঃ

ইফিচীয়া ৪ঃ১৮ পদত কয়, কিয়নো তেওঁলোকৰ চিত্ত অন্ধকাৰময় হ'ল আৰু তেওঁবিলাক নিজ নিজ হৃদয়ৰ কঠিনতাৰ দ্বাৰাই হোৱা তেওঁবিলাকৰ আন্তৰিক অজ্ঞানতাৰ কাৰণে, ঈশ্বৰে দিয়া জীৱনৰ ভাগী নহ'ল।

মনত অৱহেলা হৈ থাকিলে ঈশ্বৰৰ ৰাজ্যত অসুবিধাৰ সৃষ্টি কৰে। চয়তানে আমাক উপেক্ষিত হৈ থকাটো বিচাৰে। তেওঁ ঠগ হয়। তেওঁ উপেক্ষাক উন্নত কৰে। মই নাজানো বুলি নক'ব। ২ কৰিন্থীয়া ৪ঃ৪ পদে কয়, 'ঈশ্বৰৰ প্ৰতিমূৰ্তি যি খ্ৰীষ্ট, তেওঁৰ গৌৰৱ প্ৰকাশক শুভবাৰ্তাৰ দীপ্তি যেন প্ৰকাশ নহয়, এই কাৰণে এই যুগৰ দেৱতাই সেই বিশ্বাস নকৰাবিলাকৰ জ্ঞান চকুক অন্ধ কৰিলে।"

"জ্ঞানচকুক অন্ধ কৰি দিয়া।" কেতিয়াবা আমি বাইবেল পঢ়ো কিন্তু প্ৰকৃততে বুজি নাপাওঁ। কিছুমানে নিজকে 'ভাল খ্ৰীষ্টিয়ান" বুলি পৰিচয় দিয়ে কিন্তু তথাপিও তেওঁলোকে গভীৰ অভিজ্ঞতা পাব নোৱাৰে। কিয় অন্ধকাৰ প্ৰবল হৈ আছে? ঈশ্বৰৰ বাক্য সদায় ধ্যান কৰক। উপেক্ষাৰ পৰা ওলাই আহিবলৈ ঈশ্বৰক কওঁক। (১ঃ৫৬) জ্ঞানৰ অভাৱ হ'লে ঈশ্বৰৰ পৰা বিচৰা ... অকাতৰে তোমাক তেওঁ দিব (যাকোব ১ঃ৫)। পুনৰ প্ৰযুক্তিবিদ্যাৰেই আমাৰ হাতত বাইবেল দিছে। আমি বিভিন্ন সংস্কাৰত,বিভিন্ন ভাষাত বাইবেল পাইছো আৰু বিভিন্ন উৎসত, প্ৰতিটো সময়ত পাব পৰা অৱস্থাত আছো। মই ইয়াৰ বাবে অতি সুখী হৈছো। কিন্তু একেই সময়তে আমি অনলাইন বাইবেলৰ ওপৰত অধিক নিৰ্ভৰ কৰিবলৈ আৰম্ভ কৰিছো। যদিও বাইবেল হাতত আছে কিন্তু আমাৰ মনত আৰু হৃদয়ত নাই। আগত মানুহে অধ্যায় পদবিলাক বাইবেলত বিচাৰিছিল কিন্তু এতিয়া তেওঁলোকে গুগুলত বিচাৰে। মোৰ উদ্বেগটো এয়ে যে এটা দিন আহিব যেতিয়া সকলো অনলাইন তথ্যৰ অস্তিত্ব শেষ হৈ যাব। আমালৈ কি ঘটিব? এনেকুৱা লাগে যেন চয়তানে আমালৈ ঈশ্বৰৰ বাক্যলৈ প্ৰৱেশ কৰিবলৈ ইমানে উজু কৰি দিছে যে আমি ইয়াৰ প্ৰতি বহুত নিৰ্ভৰশীল হৈ গৈছো, যেতিয়া দিন আহিব তেতিয়া তেওঁলোকে এই অনলাইন তথ্যসমূহ বন্ধ কৰি দিব আৰু আমি ঈশ্বৰৰ বাক্যক তাত নাপাম। আহক আমি গভীৰ আৱেগৰে বাইবেল পঢ়োহঁক, ঈশ্বৰৰ বাক্যক মুখস্থ কৰোহঁক আৰু ইয়াক দিনে নিশাই ধ্যান কৰোহক যাতে এইবোৰ আমাৰ হৃদয়ত লিখা থাকিব।

## ৩। কিহলৈ বিৰতি?

পোহৰ - পোহৰনো কি বস্তু?

## ক) পোহৰ হৈছে বিচাৰ বুদ্ধি যুক্ত!

দৃষ্টিভঙ্গিত বস্তুবোৰক লৈ আহে। ... ঈশ্বৰ হৈছে পোহৰ; তেওঁত একেবাৰে আন্ধাৰ নাই। ১ যোহন ১ঃ৫। য'ত পোহৰ আছে তাত শক্তি আছে। আমি স্বৰ্গীয় পোহৰৰ পৰা আত্মিক শক্তি পাওঁ। ই আমাৰ মনক প্ৰদীপ্ত কৰে। ইয়ে আমাক স্পষ্টভাৱে চোৱাত সহায় কৰে। ইয়ে আমাক স্বাধীন কৰে আৰু সঠিক দৃষ্টিকোণ দিয়ে। পোহৰে প্ৰকাশ কৰে। বাইবেল হৈছে ঈশ্বৰৰ সত্যতা; এইটো ঈশ্বৰৰ পোহৰ। তোমাৰ দীপ্তি আৰু সত্যতাক পঠাই দিয়া; সেইবোৰেই মোৰ পথ প্ৰদৰ্শক হওঁক; সেইবোৰেই মোক তোমাৰ সেই পবিত্ৰ পৰ্বতলৈ আৰু তোমাৰ আবাসলৈ লৈ যাওক (গীতমালা ৪৩ঃ৩)।' পোহৰ নাই তাত সত্যতা নাই, তাত পুৱাৰ বিৰতি নাই। যদি আমাক পোহৰ লাগে আমি পৰ্বতটোলৈ যাব লাগিব (ঈশ্বৰৰ উপস্থিতিত) য'ত ঈশ্বৰৰ আবাস আছে। নহ'লে আমি একে ঠাইতে থাকি যাম আৰু ঈশ্বৰৰ পৰ্বতলৈ যোৱাটো অসম্ভৱ হ'ব।

## খ) পোহৰ হৈছে পৰিৱৰ্তন !

পুৱতি নিশাৰ বিৰতি মানে যীচুখ্ৰীষ্টত পৰিৱৰ্তন আছে। পোহৰৰ এটা ঝলকনিত চৌল পৌললৈ পৰিৱৰ্তন হ'ল। ঈশ্বৰৰ বাবে পোহৰে শুভবাৰ্তা দিছে, যিজনে কৈছিল, "যীচু খ্ৰীষ্টৰ মুখত ঈশ্বৰৰ গৌৰৱ প্ৰকাশক জ্ঞানৰূপে দীপ্তি প্ৰকাশ কৰিবলৈ, যি ঈশ্বৰে ক'লে, কিয়নো আন্ধাৰৰ মাজৰ পৰা পোহৰ প্ৰকাশিত হ'ব, সেই ঈশ্বৰে আমাৰ

*৮ পৃষ্ঠাত চাওঁক*


নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়
চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

মাধ্যম ঃ তামিল

যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA লৈ

প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া
ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
নামভৰ্তিৰ বাবে সোনকাল কৰক!

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## অনুগ্ৰহ কৰি আমাৰ মূখ্য কাৰ্য্যালয়ৰ পৰিচৰ্য্যবিলাকৰ বাবে প্ৰাৰ্থনা কৰক

১। প্ৰাৰ্থনা সেৱা ঃ ২৪ ঘণ্টা
২। **বিব্লিকৰ** - বাইবেল সম্বন্ধীয় যোগাযোগ প্ৰশিক্ষণ ঃ ইংৰাজী, হিন্দী আৰু তামিল।
৩। **তেওঁৰ আহবানৰ প্ৰতিধ্বনি** আলোচনী ঃ
ইংৰাজী, তামিল, মালায়ালম, তেলেগু, হিন্দী, কানাড়া, মাৰাঠী, গুজৰাটী, বেঙ্গলী, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৰী; উৰ্দু, সিংহালী আৰু আফ্ৰিকান।
৪। নহিমিয়া বাইবেল মহাবিদ্যালয় (দুটা শাখা)।
৫। ঈশ্বৰ বিষয়ক যোগাযোগৰ পাঠ্যক্ৰম ঃ ইংৰাজী আৰু তামিল।
৬। প্ৰধান আজ্ঞাৰ অংশীদাৰসকল
৭। প্ৰশিক্ষণ কাৰ্য্যসূচীবোৰ।
৮। সভা।
৯। পত্ৰিকা পৰিচৰ্য্যা - স্থিৰভাৱে অনুসৰণ কৰা।
১০। শুভবাৰ্ত্তা মুদ্ৰণ - ছপাশালা প্ৰকাশ কৰা।
১১। চেইন্ট পৌল মেট্ৰিকুলেশ্যন স্কুল - গ্ৰাম্য ইংৰাজী উচ্চ মাধ্যমিক বিদ্যালয়।
১২। দেওবৰীয়া স্কুল ঃ পুৱা ৮.৩০, বিয়লি ৪.০০ দেওবাৰ
১৩। তামিল উপাসনা ঃ পুৱা ৫.৩০,৭.০০ আৰু ১০.০০ দেওবাৰ
১৪। মালায়ালম প্ৰাৰ্থনা সভা ঃ আবেলি ২.০০ দেওবাৰ
১৫। তেলেগু উপাসনা ঃ আবেলি ৪.০০ দেওবাৰ
১৬। হিন্দী উপাসনা ঃ আবেলি ৫.০০ দেওবাৰ
১৭। ইংৰাজী আৰু তামিল সেৱা ঃ সন্ধ্যা ৬.০০ বজাত দেওবাৰ
১৮। পালকসকলৰ পৰামৰ্শ ঃ আবেলি ৪.০০ বজাত দেওবাৰ
১৯। মহিলাসকলৰ প্ৰাৰ্থনা সভা ঃ সন্ধ্যা ৫.৩০ বজাত বুধবাৰ
২০। মধ্য সপ্তাহৰ বাইবেল অধ্যয়ন ঃ সন্ধ্যা ৬.৩০ বজাত বুধবাৰ
২১। পুৰুষসকলৰ বিশেষ উপাসনা ঃ গধূলি ৭.০০ বজাত শুক্ৰবাৰ
২২। কৰ্ম্মকৰ্ত্তা সকলৰ সভা ঃ সন্ধ্যা ৬.০০ বজাত শনিবাৰ
২৩। গৃহ সভা ঃ সন্ধ্যা ৬.৩০ বজাত সোমবাৰ আৰু মঙ্গলবাৰ
২৪। বিশেষ প্ৰভু ভোজ ঃ পুৱা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম দিনত
২৫। পালকসকলৰ নিৰীক্ষণ সভা ঃ সন্ধ্যা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম শনিবাৰ
২৬। অভিভাৱক সকলৰ প্ৰাৰ্থনা সভা ঃ আবেলি ৪-০০ বজাত প্ৰথম দেওবাৰ
২৭। নিশাৰ প্ৰাৰ্থনা ঃ গধুলি ৯.৩০ দ্বিতীয় শুক্ৰবাৰ
২৮। উপবাস প্ৰাৰ্থনা ঃ পুৱা ৯.৩০ তৃতীয় শনিবাৰ
২৯। প্ৰভু ভোজ ঃ দ্বিতীয় দেওবাৰৰ উপাসনাত
৩০। Youth / Kid Prayer : 10.00 p.m. daily
৩১। কৰ্মচাৰী সকলৰ উপাসনা ঃ পুৱা ৯.০০ টা দৈনিক
৩২। কাৰ্য্যালয় ঃ পুৱা ৯.০০ টাৰ পৰা ৰাতি ৯.০০লৈ (দেওবাৰৰ বাদে)।

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## WANTED

1. Office Staff with Computer Knowledge
2. Security, House Keeping & Cooks

**Echo of His Call,**
Chepauk, Chennai - 05.
Telephone Numbers :
**044 -2852 8282, 2852 9293, 2854 7766, +91 97908 05460**

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্যন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ

## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

## ঈশ্বৰৰ অনুগ্ৰহ !

## GRACE OF GOD!

**"তেওঁ নিঃকিন অৱস্থাৰ পৰা দৰিদ্ৰক উন্নত কৰে, তেওঁ গোবৰৰ দ'মৰ পৰা দৰিদ্ৰজনক উঠায়। তেওঁলোকক প্ৰতাপী ৰজাৰ সৈতে বহিবলৈ যোগ্য কৰে, উত্তৰাধিকাৰী সূত্ৰে সন্মানীয় স্থান প্ৰদান কৰে..." - ১ চামুৱেল ২ঃ৮**

সেইদিনাখন এটা সুন্দৰ সুপ্ৰভাত আছিল। সেইদিনা দেওবাৰ আছিল, মোৰ ককাদেউতা, আইতা, পিতৃ, আৰু আমি সন্তানসকলে সাজপাৰ পৰিধান কৰি নেল্লাইক্কনাম নামৰ সৰু গাঁওখনত থকা দক্ষিণ ভাৰত মণ্ডলীলৈ খোজকাঢ়ি গৈ আছিলো। তেতিয়া মোৰ ১২ বছৰ বয়স হৈছিল আৰু মই উপাসনালৈ অহা প্ৰত্যেকলৈ চাই আছিলো। প্ৰত্যেকৰে মৰ্য্যাদাপূৰ্ণ যোগ্যতা আছিল। তেতিয়া মই ভাবিলো মোত কোনো লক্ষণীয় যোগ্যতা নাই। মই গীৰ্জাত যীচু খ্ৰীষ্টক আৰাধনা কৰি আছিলো। সেই সময়ত মোৰ মনত এটা ডাঙৰ প্ৰশ্ন উঠিছিল। প্ৰভু যীচুখ্ৰীষ্টই তেওঁৰ সকলো স্বৰ্গীয় ক্ষমতা বিলাকক ত্যাগ কৰি পৃথিৱীৰ মানৱজাতিক এক মহান নতুন জীৱন দিবলৈ আহিছিল। মই নিজকে ক'লো, "তেন্তে মই কিয় ঈশ্বৰৰ দাস হ'ব নোৱাৰিম, ঠিক মোৰ পালকৰ দৰে?" প্ৰভু যীচুখ্ৰীষ্টই সেইদিনাখনেই মই যেতিয়া গীৰ্জাত আছিলো মোক স্পষ্টকৈ কথা কৈছিল।

সেইদিনা, পালকে চামুৱেল ভাববাদীৰ বিষয়ে শিক্ষা দিছিল। তেওঁ ১ চামুৱেল ৩ অধ্যায়ৰ পৰা শাস্ত্ৰাংশ হিচাবে লৈছিল।

১ চামুৱেল ৩ঃ১-৪, ইয়াত আমি পঢ়িবলৈ পাওঁ যে তেতিয়াৰ দিনত ঈশ্বৰৰ বাক্যৰ অভাৱ আছিল আৰু তেতিয়া ব্যাপক প্ৰকাশিত হোৱা নাছিল। সেই সময়তে ঘটা ঘটনা, তম্বুত চামুৱেলে এলী পুৰোহিতক যত্ন লোৱাৰ পাছত শুবলৈ গৈছিল। সেই সময়ত, ঈশ্বৰে চামুৱেলক মাতিলে। মোৰ পালকে এই ঘটনাটোৰ বিষয়ে প্ৰচাৰ কৰি আছিল আৰু সত্য কথাটো যে সৰুতে চামুৱেল ইস্ৰায়েল বিচাৰকৰ্তা আৰু এজন মহান ভাববাদীও হ'ল।

সেই বাক্যবোৰ মোলৈ বহুত গুৰুত্বপূৰ্ণ আছিল আৰু সেইবোৰে মোৰ কক্ষপথ যেন হ'ল যাৰ সৈতে মোৰ জীৱন চলি আছিল।

১। মই মোৰ মণ্ডলী আৰু মানুহবিলাকক ভাল পাইছিলো। প্ৰত্যেক শনিবাৰে মই গীৰ্জাঘৰলৈ চকী, বেঞ্চ পৰিস্কাৰ কৰিবলৈ গৈছিলো। গীৰ্জাৰ চৌহদখনকো মই ছফা কৰি ভাল পাইছিলো। বাদ্যযন্ত্ৰ যেনে ড্ৰাম, খঞ্জৰী আৰু হাৰমনিয়াম উপযুক্ত ঠাইত ঠিক কৰি ৰাখিছিলো। পাছত মই এটা "শুভবাৰ্তা প্ৰাৰ্থনা দল" নাম ৰাখি চাব মিনিষ্ট্ৰিয়েল গ্ৰুপ গঠন কৰিছিলো আৰু মণ্ডলী ৰক্ষণাবেক্ষণ আৰু পৰিচৰ্য্যাত আমাৰ মণ্ডলীক সহায় কৰিবলৈ আৰম্ভ কৰিছিলো।

২। মোৰ শৰীৰকো উৎসৰ্গিত কৰি মোৰ পালকক সহায় আগবঢ়াইছিলো। তেওঁলোকৰ বেগবোৰ কঢ়িয়াও, জোতাবোৰ পৰিস্কাৰ কৰো আৰু মোৰ ঘৰৰ পৰা তেওঁলোকৰ বাবে পুৱাৰ আহাৰ, দুপৰীয়া আৰু ৰাতিৰ আহাৰ তৈয়াৰ কৰি নি দিছিলো।

৩। মোৰ মণ্ডলীৰ বিশ্বাসীসকলক মই ভালকৈ ব্যৱহাৰ কৰিছিলো। তেওঁলোকলৈ এজন ভাল ভাইৰ দৰে আছিলো আৰু প্ৰতিদিশত তেওঁলোকক সহায় কৰিছিলো।

যদিও মোৰ এটা সেৱা কৰাৰ স্বভাৱ আছিল, কথা কোৱাত মোৰ তেনে বৰদান নাছিল আৰু মোৰ স্মৃতিশক্তি হ্ৰাস হৈছিল। মোৰ বন্ধুসকলৰ লগত তুলনা কৰি চালে মই বহুত উচ্চ শিক্ষিত নহওঁ আৰু মোৰ অতি কমহে প্ৰতিভা আছে।

মোৰ বয়সৰ বন্ধুসকলে ভাল প্ৰতিষ্ঠিত কলেজত অধ্যয়ন কৰিছিল, উন্নত কোচিং ল'বলৈ গৈছিল, অনেক ভাষা শিকিছিল, 'কাৰাটে' শিকি তেওঁলোকৰ প্ৰতিভাক উন্নত কৰিছিল আৰু তেওঁলোকৰ জ্ঞান উন্নত কৰিবলৈ আন আন প্ৰতিষ্ঠান বিলাকলৈ গৈছিল। কিন্তু ঈশ্বৰে মোক মণ্ডলীত আৰু ঈশ্বৰৰ লোকবিলাকক সেৱা কৰিবলৈ মনোনীত কৰিলে।

প্ৰভু ঈশ্বৰে মোক চামুৱেলক কৰাৰ দৰে একেবাৰে নিম্ন স্তৰৰ পৰা উচ্চ স্তৰলৈ তুলিলে। মই এজন দায়িত্বশীল আৰু বিশ্বাসী চৰকাৰী চাকৰিয়াল হিচাবে মোৰ প্ৰায় ২৩ বছৰ কালত ঈশ্বৰৰ সক্ৰিয় উপস্থিতি সদায় মোৰ লগত আছিল। এই সত্য স্পষ্ট আছিল যে চৰকাৰী সেৱাৰে মোৰ প্ৰশংসা হিচাবে মোক মোৰ পৰিচৰ্য্যাকো চলাই যাবলৈ বিশেষ অনুমতিও দিয়া হৈছিল।

এই দুই ধৰণৰ কাৰ্য্যক সাফল্যৰে চলাই যাবলৈ ঈশ্বৰেও মোক অনুমতি দিছিল। মই এই কাৰ্য্যক এটা বিস্ময়কৰ বিস্ময় বুলি গণ্য কৰিছিলো।

চামুৱেলে মণ্ডলীক ভাল পাইছিল আৰু এই ঈশ্বৰৰ লোকজনে সেৱা কৰাটো এটা সুযোগ বুলি গণ্য কৰিছিল। গতিকে, ঈশ্বৰে তেওঁক আত্মিক ৰাজ্যত এজন মহান ভাববাদীৰ ৰূপত তুলিলে আৰু ইস্ৰায়েলৰ ভূমিত এজন মহান বিচাৰকৰ দৰে তুলিলে।

যদি আপুনিও আপোনাৰ মণ্ডলী আৰু আপোনাৰ পালকক সন্মান কৰিব আৰু সেৱা কৰিব তেন্তে আপুনি নিশ্চয় এটা মহান উচ্চ স্থানলৈ গৈ পাব।

************

....Contd. from page 6

হৃদয়ত পোহৰ প্ৰকাশ কৰিলে"। ২ কৰিন্থীয়া ৪ঃ৬। পোহৰ হৈছে ঈশ্বৰৰ মহিমা, ইয়ে যেতিয়া জিলিকে পৰিৱৰ্তন কৰে। আমি সকলোৱে ওৰণি নোলোৱা মুখেৰে দৰ্পনত দেখাৰ দৰে প্ৰভুৰ গৌৰৱ চাওঁতে চাওঁতে সেই গৌৰৱৰ পৰা গৌৰৱ পাই, আত্মাৰূপ প্ৰভুৰ দ্বাৰাই পৰিণত হোৱাৰ দৰে পৰিণত হৈ, সেই একে মূৰ্তি হ'ব লাগিছো (২ কৰিন্থীয়া ৩ঃ১৮)। ঈশ্বৰৰ বাক্যৰ পৰা অহা এই তথ্যই যিকোনো মানুহক পৰিৱৰ্তন কৰিব পাৰে।

পোহৰে তথ্য যোগোৱাত প্ৰতিনিধিত্ব কৰে। শুভবাৰ্তাৰ ভাজ খোলাটোৱেই পোহৰ আনে। আমি কিয় মণ্ডলীত প্ৰচাৰ কৰো? আমি কিয় গীৰ্জাত বহি এঘণ্টা ধৰি শুনি থাকো। এইটোৱে আমাক কেৱল তথ্য নোযোগাই। কেৱল জ্ঞান নিদিয়ে কিন্তু আমাক পৰিৱৰ্তন কৰে। আমাক খ্ৰীষ্টৰ দৰে কৰে। আহক আমি পৰিৱৰ্তন হ'ম।

মই নিৰন্তৰে প্ৰাৰ্থনা কৰো যে এই বিৰতিৰ সময়ত ঈশ্বৰে আমাক সহায় কৰিবলৈ আহিব। আহক আমি আমাৰ এই বিৰতিৰ সময়ক গ্ৰহণ কৰো। পুৱাৰ বিৰতিত ডাঙৰ শক্তি আছে। যীচুৱেও পুৱাৰ বিৰতিৰ সময়ত মৃত্যুক ভাঙিছিল। যীচু মৈদামৰ পৰা ওলাই আহিল। যীচু পোহৰ হয়, পুৱাৰ বিৰতিৰ সময়ত ওলাই আহিবলৈ ঠিক কৰিলে। ই এক শক্তিশালী সত্য।

আমাৰ নতুন নিয়মটো পুৱাৰ বিৰতিৰ সময়ত ভিত্তি কৰিছে। পুনৰুত্থানৰ ইতিহাস পুৱাৰ বিৰতিৰ সময়ত ঘটিছিল। পুৱাৰ বিৰতিৰ সময়ত ঈশ্বৰৰ প্ৰতিটো প্ৰতিজ্ঞা হয় বা আমেন হয়। খ্ৰীষ্টক যদি তোলা নহ'লহেতেন (১ কৰিন্থীয়া ১৫ঃ১৪)। পুৱাৰ বিৰতিত শক্তি আছে। এই বৰ্ষটি পুৱাৰ বিৰতিৰ বৰ্ষ হয়।

অৱশেষত, আহক আমি যাকোবৰ বিষয়ে ভাবি চাওঁহক।

প্ৰথমে বাইবেলে কয়, যাকোবে অতি ৰাতিপুৱালৈকে ঈশ্বৰৰ সৈতে মালযুদ্ধ কৰিলে। তেতিয়াহে তেওঁ কৃতকাৰ্য্য হ'ল।

"পাছে যাকোব তাত অকলেই ৰ'ল। তেতিয়া এজন পুৰুষে ৰাতিপুৱালৈকে তেওঁৰে সৈতে মালযুদ্ধ কৰিলে। সেই পুৰুষে তেওঁক জিকিব নোৱাৰা যেন দেখি, তেওঁৰ কৰঙনৰ জোৰা চুলে। তাতে যাকোবে যুজোতে তেওঁৰ কৰঙনৰ জোৰা লৰিল। তেতিয়া সেই পুৰুষজনাই ক'লে, মোক এৰি দিয়া, কিয়নো ৰাতি পুৱাল। তাতে তেওঁ ক'লে, আপুনি মোক আশীৰ্বাদ নকৰিলে, মই আপোনাক এৰি দিব নোৱাৰো" (আদিপুস্তক ৩২ ঃ২৪-২৬)

ইস্ৰায়েলৰ গোটেই জাতি তাত জন্ম হৈছিল। পুৱাৰ বিৰতি বহুত শক্তিশালী। যেতিয়া আপুনি কিবা এক বিষয় লৈ প্ৰাৰ্থনা কৰি আছে তাৰ উত্তৰ নোপোৱালৈকে প্ৰাৰ্থনা কৰি থাকক। শেষ নকৰিব। যাকোবে যুদ্ধ কৰাৰ দৰে প্ৰাৰ্থনা কৰি থাকক। তেতিয়া আপুনি পুৱাৰ বিৰতিৰ সময়ত কৃতকাৰ্য্য হ'ব।

দ্বিতীয়তে, যাকোবে তেওঁৰ ককায়েকে তেওঁক বধ কৰিব বুলি ভয় কৰিছিল আৰু এটোলৈ তেওঁ শান্তিৰ উৰ্চ্ছগা পঠিয়াইছিল। তেওঁ ভাবিছিল তেনে কৰিলে তেওঁৰ ভায়েৰাৰ খং কমি যাব। কিন্তু আচলতে ঈশ্বৰেহে কোনো সমস্যা নোহোৱাকৈ দুয়োৰে মাজত শান্তি স্থাপন কৰিলে। কিন্তু ঈশ্বৰে যাকোবৰ কৰঙনত আঘাত কৰিলে। ইয়াৰ পাছত যাকোবৰ খোজৰ পৰিৱৰ্তন ঘটিছিল। আমাৰ জীৱনটো ঈশ্বৰক কাৰ্য্য কৰিব দিয়ক, যেতিয়া তেওঁ কাৰ্য্য কৰে, আমাৰ জীৱনৰ পৰিৱৰ্তন হয়। আমি আৰু একেদৰে হৈ নাথাকো। মনত পেলাওক এই অগ্ৰগতিৰ পাছত এক নতুন জাতি গঠন হৈছিল আৰু আপোনাৰো অগ্ৰগতিৰ পাছত এক নতুন ঋতু আহিব!

মই বিশ্বাস কৰো এক ডাঙৰ পৰিৱৰ্তন হ'বলৈ গৈ আছে। এক ডাঙৰ পৰিৱৰ্তন। এটা ঋতু য'ত আন্ধাৰৰ উপাদানৰ সৈতে অনেক বাধা আৰু কাৰাবন্দী আছে। পুৱাৰ বিৰতিৰ সময়ত কিবা আৰম্ভ হ'ব। অগ্ৰগতিৰ এক নতুন ঋতুত এক নতুন অধ্যায় খোলা হ'ব। ব্যক্তিগতভাৱে এটা পৰিয়াল হিচাবে, এটা মণ্ডলী হিচাবে, এখন দেশ হিচাবে কিবা পৰিৱৰ্তন হ'বলৈ গৈ আছে।

কিন্তু আমি ভগ্ন হ'ব লাগিব। আমি ভগ্ন নহ'লে প্ৰৱেশ কৰিব নোৱাৰিম। যিদৰে মাইকী কুকুৰাজনীয়ে সঠিক ঋতুত, সঠিক উষ্ণতাত কণীকেইটাৰ ওপৰত বহে আৰু পুষ্টি সাধন কৰে, পাছত কণীকেইটা ভাঙে আৰু জীৱন ওলাই আহে। যেতিয়ালৈকে আমি ভাঙিব নাজানো তেতিয়ালৈকে আমি জীৱন দিব নোৱাৰো। পুৱাবেলাৰ বিৰতিৰ সময়ত পোহৰ হয়, কিন্তু পোহৰে বিন্ধিব লাগিব। এবাৰ এইটোৱেই এখন নতুন দৰ্জা খুলিলে, এক নতুন ঋতু মেলিলে পোহৰ ওলাই আহিব।

আমাৰ সকলোৱে বাবে এটা বিৰতিৰ সময় আহক। কিয়নো পুৱাবেলাৰ বিৰতিৰ সময়ত ঈশ্বৰে সহায় কৰিব। আপুনি লৰচৰ নহ'ব, ঈশ্বৰ মাজত আছে। সেই বিশ্বাসৰ সৈতে আহক আমি আগলৈ আগবাঢ়ি যাওঁহক।

ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

❖❖❖❖❖


**ST. PAUL'S MATRICULATION SCHOOL,**
**Medavakkam, Chennai - 100. (Christian Management)**

1. **English Teachers** for K.G., Primary, Middle & Secondary School
2. **Hindi Teachers** for Primary & Higher Classes
3. Physical Education Teacher
4. Security & House Keeping Staff

Free Accommodation available.

Also Office Staff (with Computer Knowledge) for our Head Office at Chepauk, Chennai – 5.

Apply to : **sam@echoofhiscall.org**

Phone No : **+91 97908 05460, 044-2852 8282**

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

## Echo of His Call

### ইউ টিউব

**অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক**

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

**- সম্পাদক**

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
**E.mail : sam@echoofhiscall.org**

## তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th MAY 2023
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**